সাৰ্থকতা সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰণা কৰিলে।

ক'ভিড-১৯ৰ সংক্ৰমণ আৰু উপশম সন্দৰ্ভত এনেবোৰ নতুন নতুন তথ্য প্ৰকাশ পাই থকা সত্বেও বিভিন্ন দেশত 'প্ৰতিষেধক ছিটা' উদ্ভাৱনৰ অঘোষিত প্ৰতিযোগিতা আৰম্ভ হৈছে, সেইটো মন কৰিবলগীয়া। বিচুৰ্তি খাবলগীয়া কথাটো হ'ল, সমগ্ৰ বিশ্বতে তিনিশৰো অধিক প্ৰতিষেধক ছিটাৰ সন্দৰ্ভত পৰীক্ষা-নিৰীক্ষা চলি আছে; আনকি আধুনিক চিকিৎসা বিজ্ঞানৰ গৱেষণাত বিশেষ অৰিহণা নথকা দেশ পাকিস্তানতো ছিটা উদ্ভাৱনৰ প্ৰচেষ্টা চলিছে। ছিটা উদ্ভাৱনৰ ক্ষেত্ৰত এই দৌৰা-দৌৰি কিয়? সচেতন মহলত এই বিষয়ে চিন্তা-চৰ্চা নোহোৱাকৈ থকা নাই। একাংশ সমীক্ষকৰ মতে দেশবোৰৰ মাজত তিনিটা কাৰণত ছিটা উদ্ভাৱনৰ প্ৰতিযোগিতা চলিছে। (১) ৰাষ্ট্ৰীয় স্বাভিমান ঃ আনবোৰ দেশে যদি ক'ভিড-১৯ৰ প্ৰতিষেধক উলিয়াবলৈ গৱেষণা চলাব পাৰে, আমিনো নচলাওঁ কিয়? আমি এই ক্ষেত্ৰত পিছপৰি থকা উচিত নহয়, এইটো সন্মানৰ প্ৰশ্ন। ইয়াৰ জৰিয়তে এখন দেশৰ নাগৰিকসকলৰ মনত আত্মবিশ্বাসৰ সৃষ্টি কৰা হয়। (২) দায়বদ্ধতা ঃ সকলোৰে বাবে গ্ৰহণযোগ্য ছিটাৰ উদ্ভাৱন কেতিয়াকৈ সম্ভৱ হয়, ঠিক নাই। এতেকে নিজ দেশৰ নাগৰিকসকলক ক'ভিড সংক্ৰমণৰপৰা সুৰক্ষিত ৰাখিবলৈ চৰকাৰে দায়বদ্ধতা পালন কৰিবই লাগিব। তেনে দায়বদ্ধতাৰ এটা মাত্ৰা হ'ল, ছিটা উদ্ভাৱনৰ প্ৰয়াস। (৩) ব্যৱসায়িক দৃষ্টিভংগী ঃ সমগ্ৰ বিশ্বত এতিয়া ক'ভিড-১৯ সংক্ৰমণৰ তাণ্ডৱ চলি আছে, আৰু ভৱিষ্যতলৈ চলি থাকিব বুলিও ইংগিত পোৱা গৈছে। এনে পৰিস্থিতিত ঔষধ কোম্পানিবোৰৰ সমুখত এখন বিশাল বজাৰৰ সম্ভাৱনা মুকলি হৈছে। ইতিমধ্যে ভাৰত আৰু যুক্তৰাষ্ট্ৰকে ধৰি আটাইবোৰ গণতান্ত্ৰিক দেশতে নাগৰিকসকলক আহ্বান জনোৱা হৈছে, ভাইৰাছ সংক্ৰমণৰপৰা ৰক্ষা পাবলৈ ছিটা লোৱাৰ বাবে প্ৰস্তুত হৈ থাকক। এনেদৰে ছিটা উদ্ভাৱনত সফল দেশবোৰত যে সংশ্লিষ্ট কোম্পানিবোৰৰ সৌজন্যত অভাৱনীয় আৰ্থিক বিকাশ ঘটিব, সেই বিষয়ে সন্দেহ নাই।

পিছে একাংশ স্বাস্থ্যবিজ্ঞানীয়ে প্ৰমাদ গণিছে ভাইৰাছ উদ্ভাৱনৰ গৱেষণাত অৱলম্বন কৰা গোপনীয়তাৰ বাবে। পৰীক্ষা-নিৰীক্ষাত অংশগ্ৰহণ কৰা স্বেচ্ছাসেৱকসকলৰ দেহত দেখা দিয়া বিৰূপ প্ৰতিক্ৰিয়াৰ তথ্য লুকুৱাই থৈ একাংশ গৱেষণাগাৰে লৰালৰিকৈ বজাৰত ছিটা এৰি দিয়াৰ পাং পাতিছে নেকি? বিভিন্ন মহলত প্ৰশ্নটো উত্থাপিত হৈছে। ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহত আমেৰিকাৰ চাৰিটাকৈ

◆◆

***একাংশ স্বাস্থ্যবিজ্ঞানীয়ে প্ৰমাদ গণিছে ভাইৰাছ উদ্ভাৱনৰ গৱেষণাত অৱলম্বন কৰা গোপনীয়তাৰ বাবে। পৰীক্ষা-নিৰীক্ষাত অংশগ্ৰহণ কৰা স্বেচ্ছাসেৱকসকলৰ দেহত দেখা দিয়া বিৰূপ প্ৰতিক্ৰিয়াৰ তথ্য লুকুৱাই থৈ একাংশ গৱেষণাগাৰে লৰালৰিকৈ বজাৰত ছিটা এৰি দিয়াৰ পাং পাতিছে নেকি? বিভিন্ন মহলত প্ৰশ্নটো উত্থাপিত হৈছে। ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহত আমেৰিকাৰ চাৰিটাকৈ আগশাৰীৰ ঔষধ কোম্পানিয়ে এইবুলি আশ্বাস দিবলগীয়াত পৰিছে যে স্বেচ্ছাসেৱকৰ দেহত ছিটাৰ পৰীক্ষা কৰোঁতে সকলো নীতি-নিয়ম কঠোৰভাৱে পালন কৰা হ'ব; কিন্তু প্ৰতিক্ৰিয়াৰ তথ্য সদৰি কৰা হ'ব বুলি তেওঁলোকে কথা দিয়া নাই।***

◆◆◆

আগশাৰীৰ ঔষধ কোম্পানিয়ে এইবুলি আশ্বাস দিবলগীয়াত পৰিছে যে স্বেচ্ছাসেৱকৰ দেহত ছিটাৰ পৰীক্ষা কৰোঁতে সকলো নীতি-নিয়ম কঠোৰভাৱে পালন কৰা হ'ব; কিন্তু প্ৰতিক্ৰিয়াৰ তথ্য সদৰি কৰা হ'ব বুলি তেওঁলোকে কথা দিয়া নাই। উল্লেখযোগ্য যে এজন স্বেচ্ছাসেৱকৰ দেহত স্নায়ৱিক দুৰ্বলতাৰ লক্ষণ ধৰা পৰাৰ খবৰটো গোপনে ৰক্ষাৰ সন্দৰ্ভত স্বাস্থ্যবিজ্ঞানীসকলে উদ্বেগ প্ৰকাশ কৰিছে। আনফালে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে, নৱেম্বৰ মাহত গণছিটাকৰণ অভিযানৰ বাবে ৰাজ্যসমূহ প্ৰস্তুত থকা উচিত। এনে পৰিস্থিতিত Pfizer, Johnson and Johnson আৰু Moderna কোম্পানিয়ে এইবুলি ৰাজহুৱা প্ৰতিশ্ৰুতি দিবলৈ বাধ্য হৈছে যে তেওঁলোকে ছিটাৰ নমুনা নিৰাপদ আৰু কাৰ্যকৰী ৰূপে নিশ্চিত নোহোৱালৈকে চৰকাৰৰপৰা অনুমোদন নিবিচাৰে।

ৰাষ্ট্ৰপতি পুটিনে ৰাছিয়াই উদ্ভাৱন কৰা Sputnik V ছিটাৰ সাফল্যৰ গুণগান কৰিছে, তেওঁ নিজৰ কন্যাৰ দেহত এই ছিটা দি সকলোকে আশ্বস্ত কৰিবলৈ বিচাৰিলেও এইটো লুকাই থকা নাই যে মাথোন ৭৬জন স্বেচ্ছাসেৱকৰ দেহত পৰীক্ষা কৰিয়েই ছিটাটোৰ ব্যৱহাৰত অনুমোদন দিয়া হ'ল। ইতিমধ্যে Sputnik Vৰ উৎপাদন আৰু বিপণনত ৰাছিয়াই ভাৰতৰ সহযোগিতা বিচাৰিছে। কিন্তু মস্কোৰ গামলেয়া গৱেষণা প্ৰতিষ্ঠানে Sputnik Vৰ পৰীক্ষা মাথোন দুমাহৰ ভিতৰতে সম্পন্ন কৰিছে। ছিটাটোৰ ভালেমান পাৰ্শ্বক্ৰিয়া আছে বুলিও বাতৰি ওলাইছে; তাকে লৈ বিশ্ব স্বাস্থ্য সংস্থা বাৰুকৈয়ে অসন্তুষ্ট। অথচ ৰাছিয়াই অক্টোবৰ মাহতে Sputnik Vৰ উৎপাদন আৰম্ভ কৰিব আৰু শীঘ্ৰেই এক কোটিটা ছিটাৰ পালি বজাৰলৈ এৰি দিব।

আনহাতে চীনে দাবী কৰিছে যে তেওঁলোকে ইতিমধ্যে ছিটা প্ৰস্তুত কৰাৰ তৃতীয়টো পৰ্যায় সম্পন্ন কৰিলে, আৰু সেনাবাহিনীৰ জোৱানসকলৰ টীকাকৰণ আৰম্ভ হৈছে। ভাৰতত Serum Institute-এ Oxford Covid 19 Vaccineৰ পৰীক্ষা-নিৰীক্ষা চলাই আছে। এজন স্বেচ্ছাসেৱকৰ দেহত বিৰূপ প্ৰতিক্ৰিয়া পৰিলক্ষিত হোৱাৰ পাছত প্ৰক্ৰিয়াটো সাময়িকভাৱে বন্ধ ৰখা হৈছিল যদিও এতিয়া Drugs Controller General of Indiaই আকৌ পৰীক্ষা চলাই যাবলৈ অনুমতি দিছে। এনে পটভূমিত Public Health Foundation of Indiaই মত প্ৰকাশ কৰিছে যে ভাৰতীয় জনগণে এটা নিৰাপদ আৰু কাৰ্যকৰী ছিটা পাবলৈ ২০২১ চনৰ দ্বিতীয়ভাগলৈকে অপেক্ষা কৰিবলগীয়া হ'ব পাৰে।

পিছে জটিল প্ৰশ্নটো হ'ল, ছিটা উদ্ভাৱনৰ পাছতো দৰিদ্ৰ আৰু উন্নয়নশীল ৰাষ্ট্ৰৰ সকলো নাগৰিকে তাৰ সুফল পাবনে? যোৱা মাহত সংবাদ মাধ্যমত প্ৰকাশ পাইছিল যে যুক্তৰাষ্ট্ৰৰ চৰকাৰে 'Remdesivir' নামৰ ঔষধবিধৰ মুঠ গোলকীয় যোগানৰ ৯০% সংগ্ৰহ কৰিবলৈ সংশ্লিষ্ট ঔষধ কোম্পানিবোৰৰ সৈতে চুক্তিবদ্ধ হৈছে। এই দৰবটোৱে ক'ভিড-১৯ত আক্ৰান্ত লোকৰ উপসৰ্গবোৰ ভালেখিনি হ্ৰাস কৰিব পাৰে, সেয়েহে ৰোগীয়ে হস্পিটেলত কটাবলগীয়া সময় হ্ৰাস পায়। বাতৰিটোৰ কোনো আন্তঃৰাষ্ট্ৰীয় প্ৰতিক্ৰিয়া প্ৰকাশ নাপালেও প্ৰকাৰান্তৰে আন্তঃৰাষ্ট্ৰীয় স্তৰত ভাইৰাছ প্ৰতিষেধক ছিটা আৰু নিৰাময়কাৰী দৰৱৰ সমবিতৰণৰ সমস্যাটো আওপকীয়াকৈ দাঙি ধৰিছে। যদি চহকী দেশবোৰেই ঔষধ বা ছিটা মুঠ যোগানৰ সিংহভাগ কিনি লয়, তেনেহ'লে আনবোৰ দেশত গণটীকাকৰণ সম্ভৱ হ'ব কেনেকৈ? তদুপৰি ছিটাৰ মূল্য আকাশলংঘী হ'ব নেকি?